# ৫৩ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অধ্যক্ষৰ ভাষণ

সুপ্ৰভাত সন্মানীয় অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ অংশীদাৰসকল।

ভাৰত চৰকাৰৰ ক'ৰপ'ৰেট এফেয়াৰ্চ মন্ত্ৰালয়ৰ সাধাৰণ জাননী নং. ০৯/২০২৩ তাৰিখ ২৫ ছেপ্তেম্বৰ, ২০২৩ অনুসৰি ভিডিঅ' কনফাৰেন্সিং আৰু অন্যান্য দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে অনুষ্ঠিত হোৱা আপোনালোকৰ কোম্পানীৰ এই ৫৩ সংখ্যক বাৰ্ষিক সাধাৰণ সভালৈ আপোনালোক সকলোকে আদৰণি জনাবলৈ পাই মই আনন্দিত হৈছো। মই আপোনালোকক ব্যক্তিগতভাৱে সভাত লগ পোৱা হ'লে অধিক সুখী হ'লোহেতেন কিন্তু ভাৰ্চুৱেল মাধ্যমেৰে হোৱা সভাই অধিক সংখ্যক অংশীদাৰক বিভিন্ন ভৌগোলিক স্থানৰ পৰা অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰিছে আৰু সভাত অংশগ্ৰহণ কৰাৰ ব্যয়ও যথেষ্ট হ্ৰাস কৰিছে।

অসম পেট্ৰ'-কেমিকেলচ লিমিটেডৰ সঞ্চালকমণ্ডলীৰ হৈ মই আপোনলোক সকলোকে এই ৫৩ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত আমাৰ সৈতে যোগদান কৰাৰ বাবে প্ৰতিজনলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে, আপোনালোকে কোম্পানীৰ প্ৰতি দেখুৱাই অহা আস্থা, বিশ্বাস আৰু সমৰ্থনৰ বাবে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডৰ যোৱা ৩১ মাৰ্চ ২০২৪ তাৰিখে সমাপ্ত হোৱা বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন, ৫৩ সংখ্যক সাধাৰণ সভাৰ জাননী, সঞ্চালক মণ্ডলীৰ প্ৰতিবেদন, বিত্তীয় প্ৰতিবেদন আৰু হিচাব পৰীক্ষকৰ প্ৰতিবেদন আদি ইতিমধ্যে আপোনালোকে লাভ কৰিছে, গতিকে আপোনালোকৰ সন্মতি লৈ উক্ত প্ৰতিবেদনসমূহ পাঠ কৰা হ'ল বুলি ধৰি লৈছো।

সন্মানীয় অংশীদাসকল, আগৰ বৰ্ষৰ দৰে যোৱা বিত্তীয় বৰ্ষতো ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰা অবিশ্বাস্য প্ৰাকৃতিক গেছৰ মূল্য বৃদ্ধিৰ বাবে মিথানলৰ উৎপাদন ব্যয়

অধিক আৰু ভাৰতত আমদানিকৃত মিথানলৰ বজাৰমূল্য হ্ৰাস পোৱাৰ বাবে আপোনালোকৰ কোম্পানীটোৱে লোকচানৰ সন্মুখীন হৈছে। আপোনালোকৰ এই কোম্পানীটোৱে যোৱা বছৰত মিথানলৰ উৎপাদন ব্যৱহাৰ হোৱা ৯০% প্ৰাকৃতিক গেছৰ APM মূল্য ৬.৫০ মাৰ্কিন ডলাৰ প্ৰতি MMBTU আৰু ১০% Non APM প্ৰাকৃতিক গেছ ৮.১৯ মাৰ্কিন ডলাৰ প্ৰতি MMBTU হিচাৱত ক্ৰয় কৰে।

মিথানল উৎপাদনত কেঁচামাল হিচাবে ব্যৱহাৰ হোৱা প্ৰাকৃতিক গেছৰ, মূল্য অধিক হোৱাৰ বাবে কোম্পানীৰ উৎপাদন ব্যয় ৯১২৪.০০ লক্ষ টকাৰ বিপৰীতে কোম্পানীৰ মুঠ আয় আছিল মাত্ৰ ৮১৪৯.৮১ লাখ টকা। যোৱা বৰ্ষটোত আমাৰ আয়ৰ পৰিমান পূৰ্বৰ বৰ্ষতকৈ প্ৰায় ১৭.২৪% হ্ৰাস হয়, পূৰ্বৰ বৰ্ষৰ তুলনাত যোৱাবৰ্ষটোত কোম্পানীৰ কৰ্মচাৰীসকলৰ দা-দৰমহা আৰু অন্যান্য সুবিধাৰ শিতানত হোৱা ব্যয়ৰ পৰিমাণ সামান্যৰূপে হ্ৰাস হয়। প্ৰাকৃতিক গেছৰ উচ্চ দাম আৰু মিথানলৰ বজাৰ মূল্য হ্ৰাস পোৱাৰ বাবে ২০২৩-২৪ বৰ্ষটোত আপোনালোকৰ কোম্পানীটোৱে ৭৮৬৩.৭৪ লাখ টকাৰ লোকচানৰ সন্মুখীন হ'ব লগা হয়।

যিহেতু প্ৰাকৃতিক গেছৰ মূল্য বৃদ্ধিয়েই আমাৰ নিৰশাজনক প্ৰদৰ্শনৰ মুখ্য কাৰণ, গতিকে আমি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কতৃপক্ষক এই বিষয়ে অৱগত কৰিছো আৰু তেওঁলোকৰ পৰা উপযুক্ত সহায় আৰু ৰাজসাহাৰ্য আশা কৰিছো। আমি এই ক্ষেত্ৰত যথেষ্ট আশাবাদী যে দুয়োখন চৰকাৰেই আমাক উপযুক্তভাৱে সহায় কৰি আনাগত দিনবোৰত সঠিক দিক্-নিৰ্দেশনাৰে কোম্পানীটোৰ ঔদ্যোগিক ক্ষেত্ৰখনত সবল স্থিতি প্ৰদৰ্শনৰ বাবে সুযোগ প্ৰদান কৰিব।

অংশীদাৰ সকল, আপোনালোক অৱগত যে, অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডে যোৱা ৫ টা দশক মিথানল আৰু ফৰ্মেলিন উৎপাদন আৰু বিপণন কৰি আহিছে। যোৱা বৰ্ষটোত আপোনালোকৰ এই প্ৰতিস্থানটোৱে মুঠ ৮৭৮১.২৫ লাখ টকা উৰ্পাজন কৰে। মিথানল আৰু ফৰ্মেলিনৰ বিক্ৰীৰ অংশ ক্ৰমে ৮৬.৭৭ আৰু ১৩.২৩ শতাংশ। অংশীদাৰসকল, মিথানল হৈছে আমি উৎপাদন কৰা মূখ্য উৎপাদিত সামগ্ৰী আৰু এই মিথানলক আমি আমাৰ দৈনিক ৫০০ টন আৰু ১০০ টন উৎপাদনক্ষম প্লাণ্টত উৎপাদন কৰো। ফৰ্মেলিন হৈছে আৰু মূল্য সংযোজিত Downstream Product। আমি ফৰ্মেলিন নামৰূপস্থিত দৈনিক ১২৫ টন উৎপাদনক্ষম প্লাণ্টত উৎপাদন কৰো। যোৱা বিত্তীয় বৰ্ষত মুঠ, ১,২২,২৪০ টন মিথানল উৎপাদন কৰো। এই উৎপাদন পূৰ্ব বৰ্ষৰ ৩০১১০ টনৰ তুলনাত যথেষ্ঠ অধিক। এই বৰ্দ্ধিত মিথানল আমাৰ নতুন দৈনিক ৫০০ টন উৎপাদনক্ষম প্ৰকল্পত উৎপাদিত।

ভাৰতত মিথানলৰ বিক্ৰী মূল্য নিৰ্ধাৰণ কৰে দেশলৈ কৰা আমদানিকৃত মিথানলে, দেশৰ মিথানলৰ মুঠ চাহিদাৰ প্ৰায় ৯৬.৭% ইৰাণ, চৌদি আৰৱ আৰু অন্যান্য মধ্যপ্ৰাচ্যৰ দেশসমূহে পূৰণ কৰে। এই আমদানি মুখ্যতঃ গুজৰাটৰ কান্দলা বন্দৰত কৰা হয়।

অংশীদাৰসকল, যোৱা ২০২৩-২৪ বৰ্ষটো আমাৰ বাবে অতি উল্লেখনীয় বৰ্ষ কাৰণ এই বছৰতেই আমি আমাৰ দৈনিক ৫০০ টন উৎপাদনক্ষম মিথানল প্ৰকল্পৰ সফল ৰূপায়ণ কৰি উৎপাদনক্ষম কৰি তোলো। যোৱা বছৰটোত আমাৰ এই নৱতম সংযোজিত প্ৰকল্পটোৱে মুঠ ৯২,৪৮০ টন মিথানল উৎপাদন কৰে। এই নতুন প্ৰকল্পটোত উৎপাদিত মিথানল আমি বজাৰত বিক্ৰীৰ ব্যৱস্থা কৰো। যিহেতু আমাৰ নতুন প্ৰকল্পটো বেংক আৰু একাউণ্টিংৰ বিধিমতে বাণিজ্যিকভাৱে উৎপাদনক্ষম

হোৱা বুলি ২০২৩-২৪ বৰ্ষত ঘোষণা কৰিব নোৱাৰাৰ হেতুকে ইয়াত উৎপাদিত মিথানল বিক্ৰীৰ আয় Revenue Account ত দেখুৱাব পৰা ন'গল। উল্লেখনীয় যে, আমি মুঠ ৯১,৩১৯ টন নতুন প্ৰকল্পটোত উৎপাদিত মিথানল যোৱা বছৰটোত বিক্ৰী কৰো।

প্ৰিয় অংশীদাৰসকল, মই পূৰ্বতে উল্লেখ কৰিছো যে, ফৰ্মেলিন হৈছে এবিধ মিথানলৰ Downstream আৰু মূল্যসংযোজিত উৎপাদ। আমি ইয়াক যোৱা ৫ টা দশকজুৰি উৎপাদন কৰি বিপণন কৰি আহিছো। যোৱা বিত্তীয় বৰ্ষত মুঠ ৫০,৯৩২ টন ফৰ্মেলিন আৰু নামৰূপস্থিত দৈনিক ১২৫ টন উৎপাদনক্ষম প্ৰকল্প আৰু দৈনিক ২৫ টন উৎপাদনক্ষম Conversion Agent ৰ জৰিয়তে উৎপাদন কৰো। নামৰূপস্থিত মিথানল আৰু ফৰ্মেলিন প্ৰকল্প দুটাৰ Annual Capacity Utilization আছিল ক্ৰমে ১০৫.৫৪% আৰু ৮৯.২৪%। আপোনালোকৰ কোম্পানীটোৱে যোৱা ২০২৩-২৪ বৰ্ষত কোনো ধৰণৰ Diversification কৰা নাছিল। ই কেৱল মিথানল আৰু ফৰ্মেলিন উৎপাদন আৰু বিপণনতেই নিয়োজিত হৈ আছিল। আপোনালোকৰ এই প্ৰতিস্থানটোক অধিক সক্ৰিয় আৰু প্ৰতিযোগিতাময় কৰি ৰাখিবৰ বাবে সঞ্চালক মণ্ডলীয়ে ব্যৱসায়ত বৈচিত্ৰতা সংযোগ কৰাৰ বাবে চিন্তা-চৰ্চা কৰিছে।

প্ৰিয় অংশীদাৰসকল, আপোনোলোকক জনাওঁ যে, আমি উৎপাদিত মিথানল আৰু ফৰ্মেলিন মুখ্যতঃ উত্তৰ-পূৰ্বাঞ্চল, পশ্চিমবংগ, বিহাৰ, উত্তৰ-প্ৰদেশ আৰু উত্তৰ ভাৰতৰ বিভিন্ন ৰাজ্যসমূহত বিক্ৰী কৰি আহিছো। ইয়াৰ উপৰিও আমি আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটান, নেপাল আৰু বাংলাদেশলৈ আমাৰ উৎপাদিত মিথানল আৰু ফৰ্মেলিন ৰপ্তানি কৰো। যোৱা ২০২৩-২৪ বৰ্ষত ৯৪,৫৯৬ টন মিথানল বিক্ৰী কৰো। ২০২২-২৩ বৰ্ষত ইয়াৰ পৰিমাণ আছিল মাত্ৰ ৬৪০২.৬১ টন।

আপোলোকে জানে যে, দৈনিক ৫০০ টন উৎপাদনক্ষম মিথানল প্ৰকল্পটো ২০২৩ বৰ্ষৰ এপ্ৰিল মাহত কাৰ্যক্ষম হৈ উঠে আৰু ইয়াক ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই দেশৰ সেৱাত উৎসৰ্গা কৰে। আপোনালোকৰ এই কোম্পানীটোৱে ২০০ টন দৈনিক ফৰ্মেলিন উৎপাদনক্ষম প্ৰকল্পটো বঙাইগাওঁ জিলাৰ বইটামাৰীত স্থাপন কৰিছে। এই প্ৰকল্পটো অহা অক্টোবৰ মাহৰ শেষৰ ফালে কাৰ্যক্ষম হৈ উঠাৰ সম্ভাৱনা আছে। একে স্থানতে আমি এটা বিপণন প্ৰকল্পৰ প্ৰতিষ্ঠা কৰিছো। এই প্ৰকল্পটোও অহা ডিচেম্বৰ মাহত কাৰ্যক্ষম হৈ উঠাৰ সম্ভাৱনা আছে। এই নতুন প্ৰকল্প দুটা কাৰ্যক্ষম হৈ উঠিলে আমি আমাৰ গ্ৰাহক সকলক অধিক তৎপৰতাৰে সেৱা আগবঢ়াৱলৈ সক্ষম হ'ম আৰু অনাগত দিনত ই কোম্পানীটোক অধিক পাৰদৰ্শী হোৱাত সহায় কৰিব।

অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেডে ইয়াৰ সম্পত্তি, সম্পদ, পৰিৱেশৰ সুৰক্ষা আৰু উদ্যোগটিত নিয়োজিত কৰ্মচাৰীসকলৰ সু-স্বাস্থ্যৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে। আমি আমাৰ কৰ্মচাৰীসকলক এটা সুৰক্ষিত আৰু স্বাস্থ্যকৰ পৰিৱেশ প্ৰদান কৰাৰ বাবে দায়বদ্ধ আৰু এইক্ষেত্ৰত আমি যথাযথ নীতি নিৰ্ধাৰণ কৰিছো। আমি পৰিৱেশত Green House Gas ৰ নিৰ্গমন কম কৰাৰ বাবে অহৰহ কাম কৰি আহিছো আৰু সময়ে সময়ে আমাৰ কৰ্মচাৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিছো। আমি কৰ্মক্ষেত্ৰত হোৱা দুৰ্ঘটনা ৰোধৰ বাবেও যাৱতীয় ব্যৱস্থা হাতত লৈছো আৰু এইক্ষেত্ৰত সম্পূৰ্ণভাৱে সক্ষমো হৈছো।

অংশীদাৰসকল, অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেড হৈছে এটা দায়িত্বশীল প্ৰতিষ্ঠান। ই সামাজিক দায়বদ্ধতা আতি দায়িত্ব সহকাৰে যোৱা বছৰবোৰত পালন কৰি আহিছে। আমাৰ Corporate Social Responsibility (CSR) নীতিয়ে মুখ্যতঃ শিক্ষাৰ ক্ষেত্ৰত প্ৰাধান্য প্ৰদান কৰিছে। যোৱা ২০২৩-২৪

বৰ্ষটোত CSR নীতি অনুসৰি কিছু কাম স্বাস্থ্য আৰু শিক্ষা খণ্ডত আগবঢ়াও। এই বৰ্ষত আমি বসুন্ধৰা জাতীয় বিদ্যালয় আৰু প্ৰধানমন্ত্ৰী TB মুক্ত ভাৰত অভিযানত অংশগ্ৰহণ কৰি স্থানীয় যক্ষ্মাৰোগী সকলৰ মাজত পুষ্টিকৰ খাদ্য বিতৰণ কৰো।

আপোনালোকক জনাবলৈ পাই মই সুখী যে, যোৱা বছৰটোত আমাৰ উদ্যোগিক বাতাবৰণ সৌহাদ্যমূলক আছিল। ইয়াৰ কৰ্মচাৰী সংঘ আৰু বিষয়াসকলৰ এচ'চিয়েচনে উত্থাপন কৰা দাবী, ওজৰ- আপত্তিসমূহ আলোচনাৰ মাধ্যমেৰে সমাধা কৰা হয়।

প্ৰিয় অংশীদাৰসকল, যোৱা বৰ্ষত হোৱা লোকচানৰ বাবে আমাৰ সঞ্চালকমণ্ডলীয়ে কোনোধৰণৰ লভ্যাংশ বিতৰণৰ বাবে পৰামৰ্শ আগবঢ়াব নোৱাৰিলে। আশাকৰো আপোনালোকৰ এই প্ৰতিষ্ঠানটোৱে অহা দিনবোৰত মুনাফা অৰ্জন কৰিবলৈ সক্ষম হ'ব আৰু আমি লভ্যাংশ বিতৰণৰ ব্যৱস্থা কৰিব পাৰিম।

Companies Act., ২০১৩ ৰ বিধি নং ১৩৯ (৫) অনুসৰি ভাৰতৰ নিয়ন্ত্ৰক আৰু মহানিৰীক্ষক মহোদয়ে Parik & Co., Chartered Accountant ক আপোনালোকৰ এই প্ৰতিষ্ঠানটোৰ হিচাব পৰীক্ষক হিচাবে নিযুক্তি দিছিল। তেওঁলোকে যোৱা ২০২৩-২৪ চনৰ হিচাব পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিছে আৰু ইয়াক আমাৰ Financial Statements ৰ সৈতে আপোনালোকৰ বিবেচনা আৰু গ্ৰহণ কৰিবলৈ দিয়া হৈছে।

শেষত মই আমাৰ সঞ্চালক মণ্ডলীৰ হৈ আমাৰ এই প্ৰতিস্থানটো কাম কৰা প্ৰতিজন বিষয়া-কৰ্মচাৰীক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

মই আমাৰ সঞ্চালক মণ্ডলীৰ প্ৰতিজন সদস্য-সদস্যাকে যোৱা বছৰটোত কোম্পানীৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়া, নীতি নিৰ্ধাৰণ আৰু দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই অসম-পেট্ৰ'কেমিকেলচ্ লিমিটেডৰ পৃষ্ঠপোষক ক্ৰমে, অসম চৰকাৰ, অইল ইণ্ডিয়া লিমিটেড, Assam Industrial Development Corporation Ltd. আৰু Assam Gas Company Ltd. ক কৃতজ্ঞতা আৰু ধন্যবাদ প্ৰদান কৰিছো। এইচেগতে মই Assam Power Distribution Company Ltd. ক আমাক প্ৰয়োজনীয় বিজুলী যোগান ধৰাৰ বাবেও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাক বিভিন্ন সময়ত দিহা-পৰামৰ্শ আৰু সমালোচনা কৰি অহা বিভিন্ন প্ৰচাৰ মাধ্যমৰ সাংবাদিকসকলক এইচেগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত, এ.পি.এলৰ প্ৰতিজন Shareholder ক মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ অধ্যক্ষৰ ভাষণ সামৰণি মাৰিছো। মোৰ ইংৰাজী ভাষণ আমাৰ কোম্পানীৰ সচিব শ্ৰী উত্তম বাইলুংক পঢ়ি দিবলৈ অনুৰোধ জনালো।

ধন্যবাদ

শ্ৰী বিকুল চন্দ্ৰ ডেকা

অধ্যক্ষ,

অসম পেট্ৰ'-কেমিকেলচ্ লিমিটেড,

নামৰূপ অসম ।

দিনাংক ঃ ২৫ ছেপ্তেম্বৰ, ২০২৪

স্থান ঃ নামৰূপ